# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-01-2025
**Time :** 1845 Hrs

# ***Assamese Evening Bulletin***
## ***HEADLINES***

**- - - - - - - - - - - - - -**

১। ভূটানৰ জলৰাশি ব্যৱহাৰ কৰি দেশখনত অসম চৰকাৰৰ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। নৱবৰ্ষৰ দিনা গুৱাহাটী মহানগৰীত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ সমাধিক্ষেত্ৰ শান্তিস্থলত লোকপ্ৰিয়ৰ আৱক্ষ মূৰ্তি উন্মোচন।

৩। ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সৰল কৰাৰ উদ্দেশ্যে 'স্বাগত সতীৰ্থ' শীৰ্ষক এটা প'ৰ্টেল আজিৰ পৰা কাৰ্যক্ষম।

৪। গুৱাহাটী আৰু উত্তৰ-লখিমপুৰৰ মাজত নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ী প্ৰৱৰ্তনৰ সিদ্ধান্ত। **আৰু**

৫। ইংৰাজী নৱবৰ্ষ ২০২৫-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ মঠ-মন্দিৰ, পৰ্যটন তথা বনভোজস্থলীত অগণন লোকৰ সমাগম।

০০০০০

নৱবৰ্ষ উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নতুন দিনৰ আলাপ নামেৰে এটা অনুষ্ঠানৰ আয়োজন কৰে। ইয়াত ৰাজ্যখনৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ সম্পাদকৰ সৈতে মুখ্যমন্ত্ৰীয়ে মুকলি বাৰ্তালাপত ভাগ লয়। এই অনুষ্ঠানত উপস্থিত থকা আকাশবাণীৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে জনোৱা মতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই অনুষ্ঠানত ২০২৪ বৰ্ষত তেওঁৰ চৰকাৰখনৰ কেইবাটাও উল্লেখযোগ্য সফলতাৰ খতিয়ান দাঙি ধৰে। তেওঁ কয়, যে ৰাজ্যখনক সেউজীয়া ইন্ধনযুক্ত ৰাজহুৱা পৰিবহণ খণ্ডলৈ পৰিৱৰ্তন কৰাৰ বাবে তেওঁৰ চৰকাৰে গুৱাহাটী মহানগৰীত চলাচল কৰা বাছসমূহ বৈদ্যুতিক বাছলৈ পৰিৱৰ্তন কৰাৰ আঁচনি গ্ৰহণ কৰিছে। আজি গুৱাহাটীৰ খানাপাৰাৰ আন্তঃৰাজ্যিক মিনি বাছ আস্থানত ৫৬ খন এনে বাছ ৰাইজৰ সেৱাত উৎসৰ্গা কৰা হৈছে আৰু অচিৰেই আৰু এশ খন এনে বাছ ৰাজ্যত প্ৰৱৰ্তন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ২০২৬ চনৰ ভিতৰত সেউজীয়া পৰিবহণ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত অসম দেশৰ ষষ্ঠখন ৰাজ্যৰূপে পৰিগণিত হ'ব বুলি ড০ শৰ্মাই মন্তব্য কৰে। সাম্প্ৰতিক ভূটান ভ্ৰমণৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ভূটানৰ জলশক্তি ব্যৱহাৰ কৰি ১২০ মেগাৱাট ক্ষমতাসম্পন্ন দুটা জলবিদ্যুৎ প্ৰকল্প অসম চৰকাৰে নিৰ্মাণ কৰাত দেশখনৰ চৰকাৰে অনুমোদন দিছে। ৰাজ্য চৰকাৰে অতিৰিক্ত ঋণ লৈছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত ড০ শৰ্মাই কয়, যে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন সমানুপাতিক হিচাপেহে ৰাজ্য চৰকাৰে ঋণ লৈছে। ২০১৪ চনলৈকে থকা অসম চৰকাৰৰ ঋণ সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ ২০২১ চনৰ বৈদ্যুতিক বাহন নীতি সম্পৰ্কত থকা আঁসোৱাহ দূৰ কৰাৰ বাবে অহা দুদিনৰ ভিতৰত তেওঁ ব্যৱস্থা গ্ৰহণ কৰিব বুলি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলক ৰাজ্যখনৰ জনজাতীয় ভাষা

শিকাৰ ক্ষেত্ৰত চৰকাৰৰ নতুন নীতি আৰু কিতাপৰ বছৰ হিচাপে ঘোষণা কৰা এই বছৰটোত ৰাজ্য চৰকাৰৰ আঁচনি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে এইদৰে কয়-

**বাইট (টি এম)**

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনা ভাৰতৰত্ন সন্মানেৰে সন্মানিত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ গুৱাহাটীৰ শিলপুখুৰীত অৱস্থিত সমাধিক্ষেত্ৰ শান্তিস্থলত ১ কোটি ২৬ লাখ টকাৰ ব্যয়েৰে নিৰ্মাণ কৰা বৰদলৈ দেৱৰ এটা আৱক্ষ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে শান্তিস্থলত নিৰ্মাণ কৰা নতুন পুথিভঁৰাল ভৱনটোও উদ্বোধন কৰে। ইয়াৰ আগতে মুখ্যমন্ত্ৰীয়ে আজি পুৱাৰ ভাগতে গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেঁতুখন উদ্বোধন কৰে। গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিবলগীয়া এই সেঁতুখনত দিব্যাংগসকলৰ বাবে লিফ্ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। ইয়াৰ পাছত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ইয়াৰ পাছত গুৱাহাটীৰ খানাপাৰাত ১২ কোটি টকাৰে নিৰ্মাণ কৰা আন্তঃৰাজ্যিক মিনি বাছ আস্থানটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ইয়াৰ লগতে আজি এই অনুষ্ঠানতে তেওঁ ৫৬ খন নতুন বৈদ্যুতিক বাছৰো যাত্ৰাৰ শুভাৰম্ভ কৰে।

ooooo

অসম চৰকাৰৰ কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালসমূহৰ নিৰাপত্তাৰ বাবে অসম চৰকাৰে প্ৰৱৰ্তন কৰা এখন অভিলাষী বীমা আঁচনিৰ আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। আজি খানাপাৰাৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ সচিব লয়া মাদুৰী আৰু ভাৰতীয় ষ্টেট বেংক আৰু ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ মাণ্ডলিক মহাপ্ৰবন্ধকৰ মাজত এইমৰ্মে এখন বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। এই বীমা আঁচনিৰ অধীনত কৰ্তব্যৰত অৱস্থাত কোনো কৰ্মচাৰীৰ দুৰ্ঘটনাজনিত কাৰণত মৃত্যু হ'লে অথবা জীৱনলৈ ঘূণীয়া হ'লে তেওঁৰ পৰিয়ালে এক কোটি টকা লাভ কৰিব। অন্য কাৰণত কৰ্মচাৰীৰ মৃত্যু হ'লে এই বীমা আঁচনিৰ অধীনত তেওঁৰ পৰিয়ালে ১০ লাখ টকাকৈ লাভ কৰিব।

ooooo

ৰাজ্যৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ পাৰস্পৰিক বদলিকৰণ প্ৰক্ৰিয়া সৰল কৰাৰ উদ্দেশ্যে 'স্বাগত সতীৰ্থ' শীৰ্ষক এটা প'ৰ্টেল আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। আজি গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই প'ৰ্টেল আনুষ্ঠানিকভাৱে মুকলি কৰে। কৰ্মচাৰীসকলে আজিৰেপৰা অহা ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত এই প'ৰ্টেলত বদলিকৰণৰ বাবে আবেদন কৰিব পাৰিব। সম গ্ৰেড পে' লাভ কৰা কৰ্মচাৰী, সম সেৱা বিধি কৰ্মচাৰী আৰু সম অৰ্হতা সম্পন্ন কৰ্মচাৰীৰ ক্ষেত্ৰতহে এই নিয়ম প্ৰযোজ্য হ'ব। এই সময়ছোৱাৰ ভিতৰত প'ৰ্টেলযোগে লাভ কৰা আবেদনসমূহ স্বয়ংক্ৰিয় ব্যৱস্থাৰে বিবেচনা কৰা হ'ব আৰু ইয়াৰ বাবে যোগ্য কৰ্মচাৰীৰ পাৰস্পৰিক বদলি অহা ব'হাগ বিহুৰ পূৰ্বে সম্পন্ন হ'ব। ইয়াত কোনো মানৱীয় হস্তক্ষেপ নাথাকিব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰকাশ কৰে।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি গুৱাহাটীৰ ৰাজ্যিক চিৰিয়াখানাত ৩৫০ কোটি টকা ব্যয় সাপেক্ষ অভিলাষী প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ জৰিয়তে এজোপাও গছ নকটাকৈ ৰাজ্যিক

চিৰিয়াখনৰ নতুন ৰূপ দিয়া হ'ব। এই প্ৰকল্পৰ জৰিয়তে বয়োজ্যেষ্ঠজনৰ বাবে চিৰিয়াখানা ভ্ৰমণৰ সময়ত হুইল চেয়াৰৰ ব্যৱস্থা কৰা হ'ব। চিৰিয়াখানাত উন্নতমানৰ এখন পশু চিকিৎসালয়ো নিৰ্মাণ কৰা হ'ব। চিৰিয়াখানাত আধাৰশিলা স্থাপন কৰা এই প্ৰকল্পৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ১০০ কোটি টকা আৱণ্টন দিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে শিলচৰ আৰু ডিব্ৰুগড়ত একোখনকৈ মুকলি চিৰিয়াখানা নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰে। এবছৰৰ ভিতৰতে কাম আৰম্ভ হ'বলগীয়া শিলচৰ আৰু ডিব্ৰুগড় চিৰিয়াখানাত দৰ্শকে গাড়ীত উঠি চিৰিয়াখানা চাব পাৰিব। ডিব্ৰুগড়ৰ চিৰিয়াখানাত প্ৰকল্পৰ বাবে ২৫৯ কোটি টকা ধাৰ্য কৰাৰ লগতে ২১০ কোটি টকা ব্যয়ৰে কাছাৰৰ চিৰিয়াখানাখন নিৰ্মাণ কৰা হ'ব। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে জ্যোতিচিত্ৰবন ভ্ৰমণ কৰি ৫৬ কোটি টকা ব্যয় সাপেক্ষ এহেজাৰ আসনযুক্ত এটা প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সমীপত নতুন দিল্লীৰ বিজ্ঞান ভৱনৰ আৰ্হিত এটা সন্মিলন কক্ষ নিৰ্মাণ কৰা হ'ব বুলিও প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু নতুন ৰূপত সজাই তোলা বতৰ-ভিত্তিক শস্য বীমা আঁচনিৰ সুবিধা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই সিদ্ধান্তই দেশৰ কৃষকসকলক আকস্মিক প্ৰাকৃতিক দুৰ্যোগৰ সময়ত শস্যসমূহৰ হোৱা ক্ষতি জোৰা মৰাত সহায় কৰিব। তদুপৰি এই আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰে স্বচ্ছতা আৰু ওজৰ-আপত্তি নিষ্পত্তি কৰাত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ বৈঠকত শস্য বীমা আঁচনিৰ বাবে আবণ্টিত ধন ৬৯ হাজাৰ ৫১৫ কোটি টকালৈ বৃদ্ধিৰ বাবে অনুমোদন জনোৱা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ সুবিধা লাভ কৰা ৮৮ শতাংশই ক্ষুদ্ৰ আৰু উপান্ত কৃষক। একেদৰে বীমাৰ সুবিধা লাভ কৰা ৫৭ শতাংশই অন্যান্য পিছপৰা জাতি, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ অন্তৰ্ভুক্ত  বুলিও তেওঁ জানিবলৈ দিয়ে। শ্ৰীবৈষ্ণৱে বিগত ৮ বছৰত  ১ লাখ ৭০ হাজাৰ কোটি টকাৰ দাবী নিষ্পত্তি কৰি কৃষকসকলক প্ৰদান কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ooooo

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে কলাক্ষেত্ৰ ৰামধেনু উৎসৱৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ প্ৰথম দিনা কাইলৈ চৰকাৰী চাৰু-কাৰু আৰু কলা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে চিত্ৰ ভাস্কৰ্য প্ৰদৰ্শন কৰিব। এই উৎসৱৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলে বৰঢোলৰ অনুষ্ঠান, চিত্ৰকলা, ভাস্কৰ্য আৰু ছপা ছবি কৰ্মশালা, নাগাৰা নাম, জনগোষ্ঠীয় লোকনৃত্য অনুষ্ঠান, পুতলা নাট, সত্ৰীয়া নৃত্যৰ লগতে আঁহত তলৰ ৰং শীৰ্ষক ভিন্নসুৰী গীত-মাতৰ অনুষ্ঠানৰো আয়োজন কৰা হৈছে। শনিবাৰে শিক্ষাৰ্থীসকলৰ মাজত দেশপ্ৰেমমূলক কবিতা আবৃত্তি প্ৰতিযোগিতা আয়োজিত হ'ব। তদুপৰি দেওবাৰলৈ চেমনীয়াসকলৰ বাবে মৌ মেল তথা থলুৱা খাদ্যৰ প্ৰতিযোগিতা আয়োজনৰ দিহা কৰা হৈছে।

ooooo

কাৰ্বি আংলং জিলাৰ ডিফু ক্লাবৰ ৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। পুৱাৰ ভাগত ক্লাবৰ সভাপতি ৰবীন গোস্বামীয়ে পতাকা উত্তোলন কৰি দিয়া ভাষণত কয় যে ৭২ বছৰ গৰকা ক্লাবটোৱে জিলাখনৰ সামাজিক-সাংস্কৃতিক দিশত উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। দিৱসৰ অংশ হিচাপে ডিফুৰ সমীপৰ লাংমিলি গাঁৱৰ বাসিন্দাসকলৰ মাজত ভাৰ-বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। সন্ধিয়াৰ ভাগত ক্লাবৰ চৌহদত বন্তি প্ৰজ্বলন আৰু সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০

কোকৰাঝাৰ চহৰৰ বাগানশালিৰ বাথৌ থানশালিত বিশ্বশান্তি আৰু মানৱ কল্যাণৰ বাবে আজি সমূহীয়া প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বি টি আৰ বিধায়িনী পৰিষদৰ অধ্যক্ষ কাটিৰাম বড়ো, কাৰ্যবাহী সদস্য ড০ নিলুট স্বৰ্গীয়াৰীৰ লগতে বি টি আৰৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। অধ্যক্ষ শ্ৰীবড়োৱে বাথৌ থানশালিত নৱনিৰ্মিত বাথৌ বেদীৰ শুভাৰম্ভ কৰে।

০০০০০

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে পৰহিলৈ ৩ জানুৱাৰীত গুৱাহাটীত তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। এই ৰে'লগাড়ীকেইখন হৈছে গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰিবলগীয়া নতুন জন শতাব্দী এক্সপ্ৰেছ, গুৱাহাটী আৰু নিউ বঙাইগাঁৱৰ মাজত চলাচল কৰিবলগীয়া যাত্ৰীবাহী ৰে'লগাড়ী আৰু তিনিচুকীয়া আৰু নাহৰলগুনৰ মাজত চলাচল কৰিবলগীয়া নতুন এক্সপ্ৰেছ ৰে'লগাড়ী। একেদিনাই মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ অভাৰব্ৰীজো উদ্বোধন কৰিব। ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি বিভাগৰো মন্ত্ৰী বৈষ্ণৱে সেইদিনাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাষ্ট্ৰীয় ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ইয়াৰ পাছত তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মন্ত্ৰীগৰাকীয়ে দুপৰীয়াৰ ভাগত জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ উদ্যোগৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰিব। আবেলি তেওঁ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ শীৰ্ষ বিষয়াবৰ্গৰ সৈতে অঞ্চলটোৰ ৰে'ল যোগাযোগ ব্যৱস্থাৰ পৰ্যালোচনা কৰিব।

০০০০০

ইংৰাজী নৱবৰ্ষ ২০২৫-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত নৱবৰ্ষ উদযাপনৰ উৎসাহ-উদ্দীপনাই বিৰাজ কৰে। নতুন বছৰটোত নিজৰ লগতে পৰিয়ালৰ কুশল কামনা কৰি নেদেখাজনৰ আশীষ ল'বলৈ আজি পুৱাতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হয়। শিৱসাগৰ জিলাতো ৰাইজে আজি ব্যাপক উৎসাহ-উদ্দীপনাৰে নৱবৰ্ষ উদযাপন কৰে। শিৱসাগৰ নগৰৰ ইতিহাস প্ৰসিদ্ধ ৰংঘৰ বাকৰি, তলাতল ঘৰ প্ৰাঙ্গন আদিৰ লগতে দিচাংমুখ দিখৌমুখৰ বনভোজথলীসমূহত ব্যাপক জনসমাগম দেখা যায়। জিলাখনৰ মন্দিৰ-মছজিদ-গীৰ্জাসমূহত নেদেখাজনৰ আশীষ ল'বলৈ পুৱাৰে পৰা বহু লোকে ভিৰ কৰে। ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, গোলাঘাট, ধেমাজি আৰু লখিমপুৰ জিলাৰো বিভিন্ন মঠ-মন্দিৰ আৰু পৰ্যটনস্থলীসমূহত আজি পুৱাৰে পৰা জনসাধাৰণৰ যথেষ্ট ভিৰ পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ দেৱালয়, লতাশিল আৰু গণেশগুৰি গণেশ মন্দিৰৰ উপৰি অন্যান্য মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত বহুলোক সমবেত হয়। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাত আজি পুৱাৰেপৰা বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। তদুপৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী তাৰকাগৃহ, বিজ্ঞান সংগ্ৰাহালয়, ৰাজ্যিক সংগ্ৰাহালয় আৰু উদ্যানসমূহতো বহু লোকে আনন্দ উপভোগ কৰা দেখা যায়। নৱবৰ্ষক আদৰাৰ বাবে ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰা হয়।

বৰপেটা জিলাৰ বিভিন্ন বনভোজথলীসমূহত নৱবৰ্ষ উদযাপনৰ বাবে আজি জনসমাগম দেখা যায়। জিলাখনৰ বাঘবৰ, বেকী নৈৰ বালিচাপৰি আদিত বহু লোকৰ সমাগম হয়। গোৱালপাৰা জিলাৰ শ্ৰীশ্ৰী সূৰ্যপাহাৰত আজি ভালেসংখ্যক বনভোজ দলে আনন্দ উপভোগ কৰে। জিলাখনৰ উৰপদ বিলৰ পাৰতো ভালেসংখ্যক পৰ্যটকৰ ভিৰ দেখা যায়।

ooooo

গুৱাহাটীৰ খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাত আজি নৱবৰ্ষৰ পহিলা দিন উপলক্ষে অগণন গ্ৰন্থপ্ৰেমীৰ সমাগম হৈছে। অসম প্ৰকাশন পৰিষদৰ সূত্ৰই প্ৰকাশ কৰা মতে আজি গ্ৰন্থৰ বিক্ৰী যথেষ্ট আশাব্যঞ্জক। আজি বিয়লি গ্ৰন্থমেলাথলীত লেখক-পাঠকৰ উন্মিলন শীৰ্ষক সমাৰোহৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্ত, কবি, লেখক ড০ পাৰ্থ সাৰথি মহন্তই এই সন্মিলনৰ শুভাৰম্ভ কৰে। নিজৰ ভাষণত তেওঁ মাতৃভাষাক লৈ গৌৰৱ কৰিব পৰা মানসিকতা গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে অংশ লৈ কলকাতাৰ প্ৰখ্যাত লেখক বিনোদ ঘোষালে নতুন লেখকসকলক নিজে অন্তঃকৰণেৰে বিশ্বাস কৰা বিষয়হে লিপিবদ্ধ কৰিবলৈ আহ্বান জনায়। সাংবাদিক-লেখক অচ্যুৎ কুমাৰ পাটোৱাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত সৃঞ্জনা শৰ্মা, কৌশিকী গোস্বামী, সংকল্পজিৎ শইকীয়া, হৰ্ষিতা হিয়াৰ লগতে কেইবাগৰাকী যুৱপ্ৰজন্ম লেখকে অংশগ্ৰহণ কৰে। গ্ৰন্থমেলাথলীত আজিও কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়।

ooooo

অসম জাতীয় বিদ্যালয়ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি বিশিষ্ট লেখক, নাট্যকাৰ, অভিনেতা তথা ৰাজনীতিবিদ লক্ষ্যধৰ চৌধুৰীৰ বহুপাঠিত গ্ৰন্থ **মানুহ বিচাৰি**ৰ ইংৰাজী অনুবাদ Commonly Uncommon : Stories We Live With আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সচিব ড০ নাৰায়ণ শৰ্মা, সভাপতি দিলীপ দত্ত চৌধুৰী আৰু বিদ্যালয়খনৰ অধ্যক্ষ ঘণশ্যাম মেধিয়ে। উল্লেখযোগ্য যে অনুবাদ গ্ৰন্থখনৰ লেখক পূজা ৰাজকুমাৰী আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অংশকালীন বাতৰি সম্পাদক।

ooooo

গুৱাহাটীৰ খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাত আজি নৱবৰ্ষৰ পহিলা দিন উপলক্ষে অগণন গ্ৰন্থপ্ৰেমীৰ সমাগম হৈছে। অসম প্ৰকাশন পৰিষদৰ সূত্ৰই প্ৰকাশ কৰা মতে আজি গ্ৰন্থৰ বিক্ৰী যথেষ্ট আশাব্যঞ্জক। আজি বিয়লি গ্ৰন্থমেলাথলীত লেখক-পাঠকৰ উন্মিলন শীৰ্ষক সমাৰোহৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্ত, কবি, লেখক ড০ পাৰ্থ সাৰথি মহন্তই এই সন্মিলনৰ শুভাৰম্ভ কৰে। নিজৰ ভাষণত তেওঁ মাতৃভাষাক লৈ গৌৰৱ কৰিব পৰা মানসিকতা গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে অংশ লৈ কলকাতাৰ প্ৰখ্যাত লেখক বিনোদ ঘোষালে নতুন লেখকসকলক নিজে অন্তঃকৰণেৰে বিশ্বাস কৰা বিষয়হে লিপিবদ্ধ কৰিবলৈ আহ্বান জনায়। সাংবাদিক-লেখক অচ্যুৎ কুমাৰ পাটোৱাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত সৃঞ্জনা শৰ্মা, কৌশিকী গোস্বামী, সংকল্পজিৎ শইকীয়া, হৰ্ষিতা হিয়াৰ লগতে কেইবাগৰাকী যুৱপ্ৰজন্ম লেখকে অংশগ্ৰহণ কৰে। গ্ৰন্থমেলাথলীত আজিও কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়।

ooooo

সমাপ্ত